**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২গৰাকী মন্ত্ৰীৰ তালিকা প্ৰকাশ।

২। নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ মূল কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিলে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰকাশ।

৩। বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ ৰাজ্যত প্ৰায় ১ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ। ঠায়ে ঠায়ে পৰিৱেশ সজাগতা অভিযান আৰম্ভ।

৪। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ উৎকৰ্ষ বঁটাত অসমৰ শ্ৰেষ্ঠত্ব অৰ্জন। **আৰু**

৫। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি অগ্ৰাহ্য।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা প্ৰকাশ কৰিছে। কিছু সময় পূৰ্বে সামাজিক মাধ্যম এক্সৰ যোগে মুখ্যমন্ত্ৰীয়ে কাইলৈ শপত গ্ৰহণ কৰিবলগীয়া ১২গৰাকী মন্ত্ৰীৰ তালিকা প্ৰকাশ কৰিছে। সম্প্ৰসাৰিত মন্ত্ৰীসভাত অশ্বিনী ৰয় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কেশৱ মহন্ত, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব।

ooooo

নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত হিংসাত্মক যুগৰ অন্ত পেলাই এই খণ্ডক সংঘৰ্ষৰ কেন্দ্ৰৰ পৰা সুযোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিলে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশনত অধ্যক্ষতা কৰাৰ পাছত আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে উত্তৰ-পূব পৰিষদে এই খণ্ডৰ উন্নয়নৰ বাবে কৌশলগত পৰিকল্পনা যুগুতোৱা প্ৰতিষ্ঠান হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ লগতে এই পৰিষদে জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰাৰ উপৰি উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিৰ প্ৰসাৰ ঘটাইছে বুলি উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে এখন শক্তিশালী আৰু

সমৃদ্ধিশালী উত্তৰ পূৰ্বাঞ্চল গঢ়ি তোলাৰ সংকল্প পূৰণৰ বাবে সকলো নেতা একত্ৰিত হৈছে। আজিৰ বৈঠকত আঞ্চলিক বিকাশৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়।

অধিৱেশনত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু নীতি নিৰ্মাতাসকলকে ধৰি বিশিষ্ট নেতাসকলে অংশগ্ৰহণ কৰে। সকলো নেতাই উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ, যোগাযোগ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত সমূহীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে বুলি  উত্তৰ-পূব পৰিষদে সামাজিক মাধ্যমত প্ৰকাশ কৰিছে।

০০০০০

অসমৰ শিক্ষা খণ্ডৰ অগ্ৰগতি, প্ৰত্যাহ্বান আৰু নতুন শিক্ষানীতি ২০২০ শীৰ্ষক সাপ্তাহিক আলোচনাত কালি ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এই আলোচনাত ৰাজ্যৰ শিক্ষাখণ্ডৰ সাম্প্ৰতিক পৰিস্থিতি, নতুন শিক্ষানীতিৰ সফল ৰূপায়ণ আৰু ভৱিষ্যত কৰণীয় বিষয়সমূহৰ ক্ষেত্ৰত পূৰ্বৰ শিক্ষামন্ত্ৰী ডাঃ পেগুৱে মতামত আগবঢ়ায়। তেওঁ কয় যে **নতুন শিক্ষানীতি-২০২০,** ভাৰতৰ শিক্ষা ব্যৱস্থাক অধিক গুণগত অন্তৰ্ভুক্তিমূলক আৰু যুগোপযোগী কৰি তোলাৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। ৰাজ্যৰ শিক্ষাখণ্ডই ইতিমধ্যে এই নীতি সফলভাৱে ৰূপায়ণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহে ইতিবাচক ফলাফল কঢ়িয়াই আনিছে। ডাঃ পেগুৱে লগতে এই আলোচনাত শিক্ষাক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ লগতে শিক্ষাৰ গুণগত মান, উন্নয়ন, দক্ষতা বিকাশ, প্ৰযুক্তিৰ ব্যৱহাৰ আৰু শিক্ষাৰ্থীৰ ভৱিষ্যত উজ্বল কৰি তোলা দিশসমূহ সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

২০২৭ চনৰ লোকপিয়ল সন্দৰ্ভত নলবাৰী সংহত জিলা আয়ুক্তৰ  কাৰ্যালয়ত আজি লোক পিয়লৰ শুভংকৰ "বিকাশ" আৰু "প্ৰগতি"  উন্মোচন কৰা হয়। জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে এই শুভংকৰ উন্মোচন কৰে। ইফালে পৰহিৰ পৰা আৰম্ভ হোৱা প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। জিলা পৰ্যায়ত লোকপিয়লৰ দায়িত্বপ্ৰাপ্ত বিষয়া, ৰাজহ চক্ৰ বিষয়া, নলবাৰী আৰু টিহু পৌৰসভাৰ কাৰ্যবাহী বিষযা, খণ্ড উন্নয়ন বিষয়া তথা ক্ষেত্ৰ পৰ্যায়ৰ প্ৰশিক্ষকৰ বাবে এই প্ৰশিক্ষণ দিয়া হয়। লোকপিয়ল সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ড° নিজৰা শৰ্মা আৰু প্ৰধান প্ৰশিক্ষক অৰ্পন দেৱনাথে বিষয়াসকলক এই প্ৰশিক্ষণ দিয়ে। জিলাখনত লোকপিয়লৰ সকলো কাম সুকলমে আৰু নিৰ্ভুলভাৱে সম্পন্ন কৰিবলৈ নলবাৰী জিলা প্ৰশাসনে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে।

সমগ্ৰ শিক্ষা অসমেও বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই অনুসৰি কাইলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাবছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰতিখন

বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে।

বিশ্ব পৰিবেশ দিৱস উপলক্ষে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত আজি শিৱসাগৰ নগৰত সজাগতামূলক বাটৰ নাট পৰিবেশন কৰা হয়। ৰামধেনু নাট্যগোষ্ঠীয়ে পৰিবেশন কৰা নাটখসনৰ জৰিয়তে প্লাষ্টিকৰ সীমিত ব্যৱহাৰ, সঠিক জাবৰ নিষ্কাষণ ব্যৱস্থা, প্ৰদূষণমুক্ত পৰিবেশ গঢ়ি তোলা আৰু গছপুলি ৰোপনৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি প্ৰয়াস কৰা হয়। এই অভিনৱ কাৰ্যসূচীৰ বিষয়ে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ এগৰাকী বিষয়াই এইদৰে কয়-

**বাইট**

বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত কালি ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত হয়। সামাজিক বনানীকৰণ গোলাঘাট সংমণ্ডলৰ সৌজন্যত তথা দৈয়াং কেন্দ্ৰীয় সংগীত মহাবিদ্যালয় আৰু নৱৰস কলা কেন্দ্ৰৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত পৰিবেশ সজাগতা বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। অঞ্চলটোৰ কেইবাখনো বিদ্যালয়ৰ ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে প্লাষ্টিকমুক্ত পৃথিৱী, মানুহ আৰু প্ৰকৃতিৰ মাজৰ ভাৰসাম্যতা আদি বিষয়ত চিত্ৰ অংকন কৰি পৰিবেশ সংৰক্ষণৰ শক্তিশালী বাৰ্তা দিয়ে।

০০০০০

কাইলৈ বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি পৰিবেশ সংৰক্ষণ, সেউজীয়া পৰিবেশ গঢ় দিয়া আৰু সমাজত গছপুলি ৰোপণৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাৰ লক্ষ্যৰে বঙাইগাওঁৰ সামাজিক বনানীকৰণৰ উদ্যোগত **মাতৃৰ বাবে এটা গছপুলি** শীৰ্ষক গছপুলি ৰোপণ কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰা হয়। বজালী জিলাৰ সদৰ পাঠশালাৰ সমীপৰ বিৰবিৰাত অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এটা বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী আঁচনি স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে গোৱালপাৰা জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গোৱালপাৰা সংমণ্ডলে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জিলাখনৰ জিঞ্জিৰাম নদীক পৰিষ্কাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। **স্বচ্ছ জিঞ্জিৰাম সেউজ জিঞ্জিৰাম** এই কাৰ্যসূচীৰ জৰিয়তে নগৰখনৰ প্ৰাচীন নৈখনক পৰিষ্কাৰ পৰিচ্ছন্ন কৰি তোলাৰ পৰিকল্পনা লোৱা হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমিং আৰু পশ্চিম গোৱালপাৰা জিলাৰ বিধায়ক পবিত্ৰ ৰাভাৰ উপস্থিতিত আজি সজাগতা সভা, গছপুলি ৰোপণ আৰু ছাফাই অভিযানৰ জৰিয়তে স্বচ্ছ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পশ্চিম গোৱালপাৰা সমজিলাৰ আয়ুক্ত নৱজিৎ পাঠক আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগ গোৱালপাৰা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা প্ৰকাশ হালৈৰ লগতে বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

গোৱালপাৰা জিলাৰ ঐতিহাসিক জলাশয় উৰপদ বিলৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে বন বিভাগৰ গোৱালপাৰা সংমণ্ডলে বিলখনৰ কাষৰীয়া গাওঁসমূহক সামৰি উৰপদ বিল ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা এই প্ৰতিযোগিতাত আজি দুখনকৈ চেমিফাইনেল অনুষ্ঠিত

হয়। কাইলৈ প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। এই ফাইনেল খেলত জিলা আয়ুক্ত প্ৰদীপ টিমুং, জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, বিধায়ক টংকেশ্বৰ ৰাভা, পবিত্ৰ ৰাভা, বন নংমগুল প্ৰাধিকাৰী তেজাশ মৰিস্বামীৰ লগতে আন কেইবাগৰাকীও লোক অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

প্ৰধানমন্ত্ৰী সূৰ্যঘৰ উৎকৰ্ষ বঁটাত অসমে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই সন্মানে ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য পূৰণৰ সংকল্পক অধিক শক্তিশালী কৰিছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ লগতে ৰাজ্যৰ বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিবলৈ সেউজ আৰু নবীকৰণযোগ্য শক্তিৰ উৎস গ্ৰহণৰ ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰতিশ্ৰুতি পুনৰ প্ৰতিফলিত হৈছে বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে মধ্যমীয়া গ্ৰাহক-ভিত্তিক ৰাজ্যসমূহৰ ভিতৰত অসমে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত সৰ্বাধিক বিক্ৰেতা পঞ্জীয়নত প্ৰথম স্থান লাভ কৰাৰ লগতে সৰ্বাধিক গ্ৰাহকৰ আবেদন আৰু সৰ্বাধিক বিতৰণ কোম্পানী পৰিদৰ্শনত দ্বিতীয় স্থান লাভ কৰিছে। তদুপৰি সৰ্বাধিক সৌৰশক্তি স্থাপনতো ৰাজ্যখনে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পাৰ্থিবজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ইপিনে, অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰা চৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো আজি আদালতখনে শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আদালতে এই গোচৰ আৰু আবেদন অন্য আদালতলৈ হস্তান্তৰ কৰে।

০০০০০

ওদালগুৰি জিলাৰ ওৰাং আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযান চলাই আজি ধনশ্ৰী ঘাটৰ পৰা প্ৰায় ৩ কুইণ্টল ভাং জব্দ কৰে। ওৰাং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোজ কুমাৰ দাসৰ নেতৃত্বত চলোৱা এই অভিযানত মাজবাটৰ পৰা বৰঝাৰ অভিমুখে আহি থকা এখন বাহনৰ পৰা ভাংখিনি জব্দ কৰা হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ৰূপাজুলিৰ এজন সৰবৰাহকাৰীক আটক কৰে।

ইপিনে, কাছাৰ আৰক্ষীয়ে জিলাখনৰ বিভিন্ন ঠাইত মাদকদ্ৰব্য বিৰোধী অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীয়ে উধাৰবন্দ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাত অভিযান চলাই ৮ হাজাৰ ১০টা বটল ক'ডেইন কফ চিৰাপ আৰু প্ৰায় ডেৰশ পেকেট টেবলেট জব্দ কৰে। ঘটনা সংক্ৰান্তত গিয়াছউদ্দিন লস্কৰ নামৰ এজন ট্ৰাক চালকক আটক কৰা হৈছে। কালাইন থানাৰ দিগৰখাল অঞ্চলত চলোৱা অভিযানত আৰক্ষীয়ে এখন ট্ৰাকৰ পৰা ১৪টা চাবোনৰ বাকচত কঢ়িয়াই অনা প্ৰায় ১৭০ গ্ৰাম হেৰোইনসহ এজন লোকক আটক কৰে। আৰক্ষীয়ে শিলচৰৰ ফাটকবজাৰ, ৰে'লৱে ষ্টেচন আৰু সোনাই বজাৰতো অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে।

০০০০০

দেশজুৰি চলি থকা যক্ষ্মামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত নিক্ষয় মিত্ৰ পদক্ষেপৰ অধীনত ৭৫গৰাকী যক্ষ্মা ৰোগীৰ মাজত পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ

কৰা হয়। যক্ষ্মা ৰোগ নিৰাময়ৰ ক্ষেত্ৰত ঔষধৰ সমানে উন্নত পুষ্টিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি ৰোগীসকলে যাতে সঠিক পুষ্টি লাভেৰে সোনকালে সুস্থ হৈ উঠিব পাৰে তাৰ বাবে এনে পদক্ষেপ লোৱা হয়।

কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগতো আজি জিলাখনৰ ছয়গাঁৱৰ পাণ্টানত প্ৰধানমন্ত্ৰী যক্ষ্মা ৰোগমুক্ত অভিযান আৰু সজাগতা সভা অনুষ্ঠিত হয়। ৰাভা হাছং পৰিষদৰ অধ্যক্ষ সোনাৰাম ৰাভাৰ পৰিচালনাত অনুষ্ঠিত সজাগতা সভাত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৩০গৰাকী যক্ষ্মা ৰোগীৰ মাজত পুষ্টিকৰ সামগ্ৰীৰ টোপোলা বিতৰণ কৰা হয়। অনুষ্ঠানত ৰাভা হাছং পৰিষদৰ কাৰ্যবাহী সদস্য ৰমাকান্ত ৰাভা, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যবাহী সদস্য প্ৰবোধ কলিতাকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

চিৰাং জিলাৰ গৰুভাষা টিবিতোলা নিৱাসী সমাজসেৱক তথা বিথৰাই ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ হিন্দী বিষয়ৰ শিক্ষক সোম মাৰ্ডীৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স  হৈছিল ৫০ বছৰ। উল্লেখযোগ্য যে শিক্ষকগৰাকী দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপ, স্নায়ুজনিত ৰোগ আৰু যকৃতৰ সমস্যাত ভুগি আছিল। কেইদিনমান পূৰ্বে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে আজি মৃত্যু হয়। শিক্ষকগৰাকীৰ মৃত্যুত বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰী তথা অঞ্চলটোৰ ভালেসংখ্যক ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ